# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
## 0000000000

**Date :** 02-10-2024
**Time :** 21-25 Hrs

**Assamese Night Bulletin**

আজিৰে পৰা অহা ৮ অক্টোবৰলৈ চলিবলগীয়া ৰাষ্ট্ৰীয় বন্যপ্ৰাণী সপ্তাহৰ সৈতে সংগতি ৰাখি অসমতো বন্য প্ৰাণী সংৰক্ষণৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে। এই উপলক্ষে আজি বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অসম ৰাজ্যিক চিৰিয়াখানাত ৭০ সংখ্যক বন্যপ্ৰাণী সপ্তাহৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই উপলক্ষে বন বিভাগৰ বিষয়া কৰ্মচাৰীসকলে এটা সমদলো উলিয়ায়। মন্ত্ৰী পাটোৱাৰীয়ে ৰাজ্যিক চিৰিয়াখানাৰ দক্ষ কৰ্মচাৰীসকলক প্ৰশস্তি পত্ৰ প্ৰদান কৰে। তেওঁ লগতে চিৰিয়াখানাত নতুনকৈ জন্ম হোৱা দুটি সিংহৰ পোৱালীৰ নামকৰণ কৰে। সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে অসমত বাঘৰ সংখ্যা বৃদ্ধি পোৱা বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে অসম আৰু উত্তৰ পূৰ্বাঞ্চল জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ আৰু ৰাজ্যখনৰ ৰাষ্ট্ৰীয় উদ্যান তথা অভয়াৰণ্যসমূহত কেইবাবিধো আপুৰুগীয়া আৰু বিলুপ্তপ্ৰায় প্ৰজাতিৰ বন্যপ্ৰাণী আছে। ৰাজ্য চৰকাৰে এই বন্যপ্ৰাণীসমূহক সুৰক্ষা দিয়াৰ লগতে সংৰক্ষণৰ বাবে ভালেমান ব্যৱস্থা লৈছে। এইবছৰৰ ৰাষ্ট্ৰীয় বন্যপ্ৰাণী সপ্তাহৰ মূল বিষয়বস্তু হৈছে মানুহ আৰু পৃথিৱীৰ সংযোগ, বন্যপ্ৰাণী সংৰক্ষণত ডিজিটেল উদ্ভাৱনৰ অন্বেষণ। মানুহৰ অন্ধবিশ্বাসৰ ফলত হোৱা বন্যপ্ৰাণীৰ ক্ষতি ৰোধ কৰাৰ বাবে চৰকাৰে পদক্ষেপ লৈছে। শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি বন্য প্ৰানী সপ্তাহ উপলক্ষে দিয়া বাৰ্তাত এই কথা উল্লেখ কৰি কয় যে, পৰিবেশতন্ত্ৰ আৰু মানুহৰ সহাৱস্থানৰ বৈজ্ঞানিক গুৰুত্ব জনমানসত প্ৰতিষ্ঠা কৰাটোৱে সময়ৰ আহ্বানৰূপে বিবেচিত হৈছে। ৰাষ্ট্ৰীয় বন্যপ্ৰাণী সপ্তাহ উপলক্ষে আজি তিনিচুকীয়া জিলাৰ বাৰেকুৰী আৰু ছৈখোৱা অঞ্চলত হলৌ বান্দৰৰ উপযোগী গছপুলি ৰোপণ কৰা হয়। এই অনুষ্ঠানত মাণ্ডলিক বন বিষয়াৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। ০০০০

০০০

অসম চৰকাৰৰ আনন্দৰাম বৰুৱা নগদ ধন প্ৰদান আঁচনিৰ অধীনত আবেদন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ৯৮২ গৰাকীৰ বেংক একাউণ্টৰ তথ্যত বিসংগতি ধৰা পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাইয়ে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকলক ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে যোগাযোগ কৰি ৫ অক্টোবৰৰ ভিতৰত বেংক একাউণ্টৰ শুদ্ধ তথ্যসহ নতুনকৈ আবেদন দাখিল কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। নিৰ্দেশনাত উল্লেখ কৰা মতে ২০২৪ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰা ২৬ হাজাৰ ৯৬৯ গৰাকী ছাত্ৰ-ছাত্ৰী এই আঁচনিৰ ধনৰ বাবে যোগ্য বিবেচিত হৈছে।

০০০

ৰাজ্যৰ ৮ বিধ সামগ্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ জি আই টেগৰ স্বীকৃতি লাভ কৰিছে। বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত বস্ত্ৰ আৰ'নাই আৰু পৰম্পৰাগত পানীয় জৌ গৈৰান, মাইব্ৰা জৌ বিদৈ, জৌ গিচি, শুকান মাছৰ

পৰা প্ৰস্তুত কৰা জনগোষ্ঠীয় খাদ্য বড়ো নাফামা আৰু বড়োসকলৰ পৰম্পৰাগত খাদ্য অণ্ডলা বড়ো গৌখা আৰু বড়ো নাৰ্জিলৈ ভাৰত চৰকাৰৰ এই স্বীকৃতি আগবঢ়োৱা হৈছে।

০০০

জন্মগতভাৱে হৃদপিণ্ডৰ জটিল ৰোগত আক্ৰান্ত ১৮ বছৰ অনুৰ্ধৰ ৰাজ্যৰ ১৪ টি শিশুক আজি উন্নত চিকিৎসাৰ  বাবে বাংগালুৰু আৰু মুম্বাইৰ নাৰায়ণা হৃদয়ালয়লৈ প্ৰেৰণ কৰা হৈছে। স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই আজি ৰাওনা হোৱাৰ পূৰ্বে শিশুকেইটিক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সাক্ষাৎ কৰে। তেওঁ কয় যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰিকল্পনা মৰ্মে হৃদপিণ্ডৰ জন্মগত বিসংগতি থকা শিশুসকলক চৰকাৰে নাৰায়ণা হৃদয়ালয়ত উন্নত চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰি আহিছে। ইয়াৰ বাবে যোৱা ১ চেপ্তেম্বৰৰ পৰা ১০ চেপ্তেম্বৰলৈ ৰাজ্যজুৰি ৰোগ চিনাক্তকৰণ শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰসমূহত ৰোগ চিনাক্ত হোৱা শিশুসকলক পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে নাৰায়ণা হৃদয়াললৈ প্ৰেৰণ কৰা হ্ব বুলি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে মাজুলীতো বিগত বৰ্ষৰ দৰে এইবাৰো দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ প্ৰস্তুতি অব্যাহত আছে। অহা ১৩ নৱেম্বৰৰ পৰা হ্বলগীয়া খেল মহাৰণৰ অধীনত এথলেটিক্স, ফুটবল, ভলীবল, কাবাডী, দবা, সাতোৰ, চাইক্লিং আদি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।। ইচ্ছুক প্ৰতিযোগীসকলে খেল মহাৰণৰ পোৰ্টেলত নাইবা এপ ডাউনলোড কৰি নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। সবিশেষ জানিবলৈ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০

ধুবুৰী জিলাৰ আৱৰ্ত ভৱনৰ সভাকক্ষত আজি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত নতুন হিতাধিকাৰী বাচনিৰ বাবে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তই বাচনি সমিতিক ভোটগ্ৰহণ কেন্দ্ৰ অনুসৰি হিতাধিকাৰী বাচনি কৰিব লাগিব বুলি প্ৰকাশ কৰাৰ লগতে নথিপত্ৰসমূহ ভালদৰে পৰীক্ষা নিৰীক্ষা কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০

বাক্সা জিলাৰ ভাৰত ভূটান সীমান্তত দাওধৰাত চলি থকা ফুটবল প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। প্ৰতিযোগিতাত শালবাৰী ৰেবেল এফ চিয়ে বৰিমাখা চাৰন্থাই এফ চিক ১-০ গলত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে।

০০০

অহা ১১ অক্টোবৰৰ পৰা গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত ঝাৰখণ্ডৰ বিৰুদ্ধে হ'বলগীয়া ৰঞ্জী ট্ৰফীৰ প্ৰথমখন খেলৰ বাবে অসম ক্ৰিকেট সন্থাই ৰাজ্যিক দলৰ খেলুৱৈৰ লগতে সহায়কসকলৰ নাম ঘোষণা কৰিছে। ডেনিছ্ দাসৰ অধিনায়কত্বত  গঠন কৰা এই দলটোত সুমিত ঘাডি গাউকাৰ আৰু ৰুহিনন্দন পেগুক উইকেট কীপাৰ হিচাপে ৰখা হৈছে। অসম ক্ৰিকেট সন্থাই প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা প্ৰকাশ কৰিছে।

০০০

গুৱাহাটীত অহা ১৮ৰ পৰা ২০ অক্টোবৰলৈ আন্তঃজিলা মল্লযুঁজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অসম মল্লযুঁজ সন্থাৰ আজি গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কাৰ্যালয়ত অনুষ্ঠিত কাৰ্য নিৰ্বাহক সভাত এই বিষয়ে প্ৰকাশ কৰা হয়। এই সভাতে অসমৰ খেলুৱৈসকলৰ উন্নত প্ৰশিক্ষণ তথা উদীয়মান মল্লযুঁজাৰুসকলৰ ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে কেইবাটাও সিদ্ধান্ত লোৱা হয়। আজিৰ সভাত অসম অলিম্পিক সন্থাৰ নৱ-নিৰ্বাচিত সম্পাদক লক্ষ্য কোঁৱৰক অভিনন্দন আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

০০০

ঃঃ সমাপ্ত ঃঃ